গৰু, মহ, কুকুৰা আৰু অন্যবস্তু অনেক পালে। গড়ভিতৰীয়া ঘৰবোৰ পুৰি ছাই কৰিলে। আতপাচে ডেকাফুকন, কাপ্তান গোহাঁই, ৰাজ-খোৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী, আৰু আনবোৰ সহিতে উভতি আহি পুৰণি-যোৰহাটত থাকিলহি। ৩১২॥

মটকৰ ভৰথী ৰজা।—লাক্নি কাচেও বা ১৭২০-২১ শকত, বেংমৰাত পুৰণিমটীয়া মটকে স্বৰ্গদেৱক দ্ৰোহ কৰি ৰণ উলিয়ালে। ভৰথী নামে ৰজা এটা ওলাল। ডেকাফুকন, কাপ্তান, গোহাঁই, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী, ভমৰাচিং চুবাদাৰ, ৰাজু-পুৰী, ৰূপসিং বীণাচিং, আৰু খেলুং, থেনবান, ভিংথাং, বানটুং এই চাৰি গাৰৰ মানুহ, মোহন, ফুকন, দেওধাই চেংধোৱা ফুকন, বাইলুং, বামুণ, গণক আৰু কিছু বেজ মানুহক ৰণলৈ যাবলৈ স্বৰ্গদেৱে আজ্ঞা কৰিলে। এইবোৰে দিনে-ৰাতি গৈ বেংমৰা পালেগৈ। পুৰণিমটীয়া মটকৰ ভৰথী ৰজা মটকে সৈতে কোঁঠৰ পৰা ওলাই আমাৰ সৈন্যৰে সৈতে ৰণ ধৰিলে। এটাই ভৰথী ৰজালৈ বন্দুক টোঁৱাই গুলি দিলে, তাতে ভৰথী ৰজা পৰিল। তাৰ শৰটো আমাৰ মানুহে নাৱত ভৰাই সৰ্ব্বাইভগালৈ লৈ আহিল। বুঢ়াগোহাঁইৰ আজ্ঞামতে তাৰ শৰটো পুৰি ভস্ম কৰিলে। আতপাচে ডেকাফুকন, কাপ্তান গোহাঁই, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী, এইবোৰে উলটি আহি পুৰণি-যোৰহাটত ৰলহি। ৩১৩॥

শদিয়া ৰণ॥—লাক্নি কাপচিঙ্গা বা ১৭২১-২২ শকত, শদিয়াত ৰণ ওলাল। বাৰচিবিঙ্গীয়া এহেজাৰ কছাৰী, খামতিৰ বুঢ়াৰজা, পানীনড়া, ফাঁকিয়াল, মিৰি, মিচিমি, টেকেলীয়া নগা, মুলুক, আবৰ, এইবোৰে একগোট হৈ শদিয়াখোৱা গোহাঁইক যাঠিৰ মুৰেৰে কোবাই মাৰিলে। গোহাঁইৰ ঘৰ লুড়ি সকলো বস্তু আৰু লৰা-ছোৱালী ধৰি লৈ গ'ল। আতপাচে স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁয়ে এইকথা শুনি পাত্ৰ-মন্ত্ৰী, ফুকন, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, এই সকলোকে চপাই মেল কৰি শত্ৰুৰ বিৰুদ্ধে ৰণ কৰিবলৈ যুকুতি কৰিলে। স্বৰ্গদেৱ আৰু

বুঢ়াগোহাঁই ডাঙ্গৰীয়াই দিহিঙ্গীয়া ফুকন, নাওশলীয়া ফুকন, ভিতৰুৱাল ফুকন, এই তিনিৰ লগত একৌজ চিপাহী দি ৰণলৈ পঠিয়ালে। ফুকনবোৰে ৰণৰ দ্ৰব্য-আহিলা যতমানে ভাৰীনাৰত ললে। পাচে সিবোৰে ৰাজখোৱা, শইকীয়া, ধনুধৰীয়া কাঁড়ী সৈতে নাৰত উঠি উজাই গৈ শদিয়াখোৱা গোহাঁইৰ কোঁঠ পাই তাতে ৰলগৈ। কিছুদিনৰ পাচত আমাৰ মানুহে ৰণ দি যাঠি তৰোৱালেৰে শত্ৰুক খুঁচি-কাটি মাৰিবলৈ ধৰিলে। আমাৰ সৈন্যৰ ৰণজয় হল। খামটিৰ বুঢ়াৰজা, ফাঁকিয়াল, মিৰি, মিচিমি, মুলুক, খাংখাক, আবৰ, এই-বোৰে আকৌ গোটখাই আমাৰ সৈন্যক ধৰিলে। কিন্তু ৰণত তিষ্ঠিব নোৱাৰি পলাল। আমাৰ সেনাই সিহঁতক দা-যাঠিৰে কাটি-খুঁচি মাৰিলে, আৰু আমাৰ সৈন্য জিকিলে। খামটিৰ বুঢ়াৰজা ফাঁকিয়াল, নড়া, মুলুক, এইবোৰক ধৰি বন্দী কৰিলে। আমাৰ সেনা উভতি আহিল, আৰু ৰণত ধৰিঅনাবোৰক যোৰহাটত স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াক ভেটিলেহি। স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াই বন্দীবোৰক নামাৰি দিচৈ নৈৰ পাৰঘাটৰ পোনে শিমলুগুৰিত থাকিব দিলে। আনবোৰক বকৰাবাৰীত পাতিলে। টেকেলীয়া নগাবোৰক নক্ষাছুৰাবত, মুলুকবোৰক মৰঙ্গীত আৰু পানীনড়াক ভিতাৰৰহাটত পাতিলে। ৩১৪॥

নতুন শদিয়াখোৱা গোহাঁই।—সেই শকতে কুঁৱৈগয়া বুঢ়া-গোহাঁই ফৈদৰ বাৰীৰপুতেক শদিয়াখোৱা গোহাঁইৰ নাতিয়েকক শদিয়াখোৱা গোহাঁই পাতিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই নতুনজনা শদিয়াখোৱা গোহাঁইক ভাল বস্ত্ৰ, সোণৰ কেৰু, সোণৰ খাৰু পিন্ধিব দি চহৰত থাকিব দিলে। লাক্নি ডাপমুতৰাইচান্ মুংৰাও অৰ্থাৎ ১৭২২ শকৰ পৰা ১৭২৪ শকলৈকে শদিয়াখোৱা গোহাঁই হৈ আছিল। দিহিঙ্গীয়া ফুকন ১, নাওশলীয়া ফুকন ১, ভিতৰুৱাল ফুকন ১, এই তিনি শদিয়াখোৱা গোহাঁইৰ লগতে আছিল। ক্লংচেঙ্গৰ নাতিয়েকক নাওশলীয়া ফুকন পাতিলে। অলপ দিনৰ

পাচতে তেওঁৰ মৃত্যু হল। শদিয়াখোৱা গোহাঁই শদিয়াতে থাকিল। ৩১৫ ॥

পানীমুৱাৰ খবৰ।—আতপাচে লাক্লি মুংৰাও বা ১৭২৪-২৫ শকত, পানীমুৱা নামে মানুহ এটা ওলাল। গজলা নামে মহন্তই বাতিখোৱা নামে এক ধৰ্ম্ম প্ৰৱৰ্ত্তাবলৈ ধৰিলে। ওচৰৰ গাৱঁৰ সকলো ৰাইজে পানীমুৱা আৰু গজলা মহন্তৰ লগ লৈ স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁইৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ মন্ত্ৰণা কৰিলে। স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁয়ে এইকথা শুনি দোলাকাষৰীয়া বৰা ১, কুকুৰাচোৱা বৰা ১, চাওডাঙ্গৰ বৰা ১, এই তিনিক পঠালে পানীমুৱা আৰু গজলা মহন্তক ধৰিবলৈ। সিবোৰেও পানীমুৱা আৰু গজলা মহন্তক ধৰি আনি স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁইক ভেটালেনি। স্বৰ্গদেৱ আৰু বুঢ়া-গোহাঁয়ে সিহঁতক সুধিলে, বোলে,—"তহঁতে আমাক কিয় ৰণ কৰ ?" সোধাপোচা কৰি দায় পাই পানীমুৱাক জিঁজিৰি লোৱা লগালে, আৰু গজলা মহন্তক হাতীৰ পিঠিত তুলি হাৰিলৈ খেদি পঠিয়ালে। বুঢ়াগোহাঁই ডাঙৰীয়াই পানীমুৱাৰ কথাকে পতিয়াই পানীমুৱাই যি যি মানুহ তাৰ লগত যোৱা আছিল বুলি কলে, সেইবোৰক ধৰি আনি মাৰিলে। তাৰে কিছুমানক চকু কাঢ়ি ঘৰলৈ খেদি পঠিয়ালে, কিছুমানক ববহুৰাৰৰ মুখতে কাটিলে, আনবোৰক শূলত দিলে। পানীমুৱাক নাকাটি লোৱা লগাই খাবলৈ নিদি শুকুৱাই মাৰিলে। ৩১৬ ॥

যোৰহাটত ন-নগৰ নিৰ্ম্মাণ।—আতপাচে বুঢ়াগোহাঁই ডাঙৰীয়াই মনতে ভাবিলে, বোলে,—"সকলো ৰাজক্ষমতা মোৰে হল, কিন্তু পাচে-পৰেও যেন মোৰ যশকীৰ্ত্তি ৰৈ যায় এনে কোনো কাম মই কৰিব পৰা নাই।" এই বুলি পাত্ৰ-মন্ত্ৰী আৰু অন্যান্য বিষয়া সকলোকে চপাই মেল কৰি তেওঁলোকত বোধ-ভৰসা সুধিলে। দেওধাই পণ্ডিতক কুকুৰাঠেং চাই কবলৈ দিলে; একে বছৰতে বুঢ়াগোহাঁই ডাঙৰীয়াই এখন নতুন নগৰ সাজি উলিয়াব পাৰিব

নে নোৱাৰিব। আতপাচে ষোৰহাটৰ বচা পথাৰত এখন নতুন নগৰ কৰিবলৈ মানুহ লগালে। সেই নগৰত বৰ ঘৰ, হোলোং ঘৰ আৰু অন্যান্য ঘৰ সজোৱালে। সেই নতুন চহৰৰ নাম থলে ন-নগৰ। ৩১৭॥

নগাঁৱত মটকৰ বিদ্রোহ।—আতপাচে ডিন্‌ছি বা ফাগুন মাহত মটক আৰু কছাৰীয়ে গোটখাই তিমানত অবীতীয়া মতে প্রবৰ্ত্তি গাওঁ পুৰি ধ্বংস কৰিবলৈ ধৰিলে। গুৱাহটীয়া ডেকাফুকন, আৰু দোলাকাষৰীয়া বৰুৱা, এই দুয়ে সমালোচন হৈ কপিলীয়েদি উজাই গৈ নাবিকলগুৰিত কোঁঠ দি বল। পিচদিনা পুৱাই শত্ৰু-সৈন্যৰ লগত আমাৰ সেনাৰ ৰণ লাগিল। পোনতে হিলৈৰ ৰণ হল, তাৰ পাচে ধেনু-কাঁড় লৈ ৰণ কৰিব ধৰিলে। ডিন্‌চিটু বা জেঠত, হিন্দুমতে সোমবাৰ আৰু আহোমমতে প্রেক্‌মিতৰ দিনা, কপিলী-কোষৰ চাংচকীলৈ ৰণ কৰিবলৈ গল। মটক আৰু কছাৰীয়ে ছুৰি মাৰি আমাৰ সৈন্যৰ ওপৰত পৰিল। আমাৰ সৈন্য শত্ৰুৰ পৰাভৰত ৰব নোৱাৰিলে, আমাৰ তিনিকুৰি চিপাহী ৰণত পৰিল। কাঁড়ী আৰু হজুৰা ভালেখিনি লৰ মাৰি কপিলীৰ পানীত পৰিলগৈ। তাৰে কেতখিনি মৰিল, আনবোৰ পলাই সাৰিল। ডেকাফুকন আৰু দোলাকাষৰীয়া বৰুৱা কপিলীয়েদি ভটীয়াই নাৰৰপৰা নামি তবে আহি ৰহাত বলহি। তাৰেপৰা ডেকাফুকন গুৱাহাটীলৈ গল। দোলাকাষৰীয়া বৰুৱা উজাই গৈ দুলাল মাধৱ গোঁসাইৰ মন্দিৰত বলহি। এইকথা স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙৰীয়াই শুনিলে। ৩১৮॥

খাগৰিজানত আহোম সৈন্য।—লাক্নি প্রেক্‌মিত বা ১৭২৫ শকৰ শাওণ মাহত, স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙৰীয়াই মটকৰ বিৰুদ্ধে ৰণলৈ মানুহ পঠিয়ালে। সেইমতে কাপ্তান গোহাঁই, বচা ৰাজখোৱা, কাঁড়ী, হজুৰা আৰু পাঁচ চুবাদাৰ লগত লৈ ভটীয়াই গৈ খাগৰিজানত কোঁঠ দি তাতে ভালেমান দিন থাকিল। ৩১৯॥

ৰেৰেজীয়াত কোঁঠ।—ডিম্‌ছিপ্‌ইট্‌ বা আহিন মাহত, পুৰণি-মটীয়া ভকত, কছাৰী, ঢেকেৰী, লালুং, নগাএৱা ধনুধৰীয়া, দুই কোঁৱৰ, ঘিলাধৰীয়া হাজৰিকা ১, জয়ন্তাৰ পয়থা গ্ৰু মডাং ১, কটিকা গ্ৰু মডাং ১, বৰ-যোগধৰীয়া মটক ১, মাজু-যোগধৰীয়া মটক ১, সৰু-যোগধৰীয়া মটক ১, এইবোৰে আমাৰ সেনাৰ লগত ৰণ কৰিবৰ মনেৰে নগাৰঁৰ ধনুধৰীয়া গাঁৱত জুই লগালে। আমাৰ বচা ৰাজখোৱা আৰু মেচা-ঘৰীয়া বৰবৰুৱা, এই দুয়ে কাঁড়ী, হজুৰা আৰু চিপাহী লগত লৈ শত্ৰু মাৰিবলৈ গল। সিহঁতে আগবাঢ়ি আমাৰ সেনাৰ গাত পৰিল। বৰ-যোগধৰীয়া, মাজু-যোগধৰীয়া আৰু সৰু-যোগধৰীয়া এই তিনি ৰণত পৰিল। মটকবোৰ কলং নৈয়েদি পলাবলৈ ধৰিলে। মটকৰ কুৰিটা মানুহ ৰণত পৰিল। আমাৰ সৈন্য ৰণত তিনি চাৰিটা সৰু কামাৰুন হিলৈ, চাৰিখন তৰোৱাল, আৰু পাঁচডাল যাঠি পালে। ৰণ-পলৰীয়া মটকখিনি ৰহাত আহি ৰাতিটো কটালে। তাৰ পিচদিনা প্ৰভাতে চাংচকীৰ পোনে গৈ তাতে ৰলহি, কাঁড়ী হজুৰা চিপাহী সমন্বিতে বচা ৰাজখোৱা আগবাঢ়ি ৰহা পালেহি। তাতে এটা কোঁঠ দি ভালেমান দিন থাকিল। আতপাচে কাপ্তান গোহাঁই আৰু বৰবৰুৱা এই দুয়ে কাঁড়ী, হজুৰা চিপাহী লগত লৈ বিৰহ-ৰেৰেজীয়া পাই তাতে কোঁঠ দি বল। ৩২০॥

মটকে নগাএৱা গাঁও পোৰে।—মটক আৰু কছাৰীয়ে নগাৰঁৰ ধনুধৰীয়া গাওঁবোৰত সোমাই পাথৰী, পোতনিশিঙ্গীয়া আৰু ভেলেউগুৰী, এই তিনি গাওঁ জুই দি পুৰিলে। আতপাচে কাপ্তান গোহাঁই, ধনুধৰীয়া বৰবৰুৱা, হাজৰিকা, শইকীয়া, বৰা, এইখিনিয়ে শত্ৰুৰে সৈতে ৰণ নকৰি সমালোচন হৈ স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁইলৈ বাতৰি পঠিয়ালে। স্বৰ্গদেও আৰু বুঢ়াগোহাঁই ডাঙৰীয়াই সকলো সমাচাৰ শুনিলে। ডিনছিপ্‌ছাং বা কাতি মাহত, স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙৰীয়াই ডেকাফুকনক ৰণলৈ যাবলৈ আজ্ঞা কৰিলে। ডেকাফুকনে কাঁড়ী, হজুৰা আৰু দুই কৌজ চিপাহী লগত লৈ সকলো

দ্ৰব্য-আহিলা নাৰত ভৰাই ভটীয়াই গৈ দক্ষিণপাট বিবহ-বেৰেজীয়া পাই তাতে কোঁঠ দি বল। ৩২১॥

কছাৰী গাঁৱত ডেকাফুকন।—আতপাচে ডেকাফুকনে বচা-বাজখোৱাক মাতিবলৈ কটকী পঠিয়ালে। কাপ্তান গোহাঁই, হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া আৰু নগএৱ সৈতে বচা বাজখোৱা গৈ ডেকাফুকনৰ লগ ললেগৈ। পিচদিনা পুৰা ডেকাফুকন, বচা বাজখোৱা, কাপ্তান গোহাঁই, এই তিনিয়ে কলং নৈয়েদি ভটীয়াই গৈ কছাৰী বাজ্য সোমাল। তাতে কোঠ দি চাৰিদিন থাকিল। পঞ্চম দিনা পুৰা ডেকাফুকন আগবাঢ়ি গৈ লেকদিন নামে গাওঁত সোমাল। তাতে এটা মাটিৰ কোঁঠ সাজি বল। ধনুধৰীয়া গোটাচেবেকে কোঠত পৰ দিছিল। পুবণিমটীয়া মটক আহি আমাৰ ধনুধৰীয়া তিনিটাক মাৰিলে। আমাৰ ছটা চোৰাংচোৰাকো পাই ধৰি নিলে। ৩২২॥

ব্ৰহ্মচাৰী গোসাঁই।—আতপাচে ডেকাফুকন তেতেলীখনা পাই তাতে কোঁঠ দি বল। তাৰপৰা আগবাঢ়ি গৈ কপিলীকোষৰ চৰাই-চকী পাই তাতে থানা কৰি ভালেমানদিন থাকিল। আতপাচে কছাৰীয়ে কপিলীয়েদি আহি আমাৰ মানুহৰ গালৈ হিলৈৰ গুলী মাৰিলে। ছটা ধনুধৰীয়া কাঁড়ী আৰু চাৰিটা চিপাহীৰ গাত গুলী লাগিল, কিন্তু প্ৰাণে নমৰিল। এটা ধনুধৰীয়া কাঁড়ী মৰিল। গুলি লগা ধনুধৰীয়াক কাপ্তান গোহাঁইৰ কোঁঠলৈ নিলে, তাতে তিনিটা মৰিল। ডেকাফুকন আৰু বচা বাজখোৱা কপিলীয়েদি ভটীয়াই গ'ল। নাৱৰপৰা নামি কপিলীপাৰত কোঁঠ দি বল। তাতো আমাৰ ছটা মানুহক মটকে গুলীয়াই মাৰিলে। আতপাচে বৰফুকনে পাঁচ ফৌজ সৈন্য বগলৈ পঠিয়াবলৈ ব্ৰহ্মচাৰী গোসাঁইলৈ বাৰ্ত্তা দিলে। ব্ৰহ্মচাৰীয়ে যুদ্ধৰ লাগতিয়াল আহিলা নাৰত ভৰাই তিলাও বা লুহিতেদি উজাই গৈ কপিলীমুখ পালেগৈ। তাৰে পৰা কপিলী নৈয়েদি উজাই যাবলৈ ধৰিলে। নাৱৰপৰা নামি ব্ৰহ্মচাৰীয়ে নৈৰ পাৰত থানা কৰি বহিল। তাৰ পিচদিনা পুৰা ডেকাফুকন, বচা বাজখোৱা, ব্ৰহ্মচাৰী,

শইকীয়া, বৰা, ইবোৰে নাৱিকলগুৱিৰ পোনে যাত্রা কৰি সোণাপুৰত কোঁঠ দি ৰহিল। ৩২৩॥

ডবকাত ডেকাফুকন।—আতপাচে মটক আৰু কছাৰী একযোত্র হৈ মেল পাতি আমাৰ সৈন্য মাৰিবলৈ ৰণুৱা গোটালে। দুদিন ব্রহ্মচাৰীৰ কোঁঠ ভেটি ৰাখিছিল। মটক আৰু কছাৰীয়ে আমাৰ সৈন্যৰ লগত ৰণ কৰি বলে নোৱাৰি পাচ হুহঁকি গল। নগৰিয়াল মোহন বৰুৱা, আৰু মেকী দেওধাই, এই দুয়ে কুকুৰাঠেং চাই গোসাঁনী আৰু দেৱতাসকলক পূজা-পাটল দিবলৈ কলে। কপিলী নৈৰ কোষৰত দুই পণ্ডিতে পূজা পাতিলে। ডেকাফুকন ভিতৰগাওঁত সোমাই তাতে কিছুদিন বল। পিচদিনা পুৱা ডেকাফুকনে কাপ্তান গোহাঁই, কণ বৰবৰুৱা আৰু ফকিৰচান্দ চুবাদাৰক ডবকাত কোঁঠ দি থাকিবলৈ কলে। ডিন্‌ছি-ডিনহা বা ফাগুন-চ'ত এই দুমাহ আমাৰ সৈন্য ডবকাৰ কোঁঠত বল। আমাৰ চিপাহী, ধনুধৰীয়া আৰু কাঁড়ী এইবোৰে আগ হৈ ডবকা চহৰ আৰু ওচৰৰ গাওঁ-ভূঁই পুৰিলে। এখন গাৱঁত আমাৰ সৈন্যই ২৫৬০ টা গৰু আৰু ১৬ টা ম'হ পাই আনিলে। আতপাচে কাঁড়ী আৰু হজুৱা এইবোৰে পাইঅনা বস্তুৰে ডেমেৰালৈ উভতি আহি কপিলীৰ পাৰত বলহি। তাতপাচে আমাৰ মানুহে তিনিখন গাওঁ পুৰি ৩৬০ টা গৰু পালে। তাকে পাই লগত লৈ উভতি আহিল। কছাৰী পলাই ডেমেৰাৰ হাবিত সোমালগৈ। ডেকাফুকন ডবকাতে থাকিল। কাপ্তান গোহাঁই, বচা ৰাজখোৱা, কাঁড়ী, হজুৱা আৰু চিপাহী লগত লৈ আহি কপিলীপাৰ পালেহি। তাৰেপৰা যমুনা নৈয়েৰে আহি নভঙ্গাত কোঁঠ দি ৰহিলহি। কাপ্তান গোহাঁই আৰু বচা ৰাজখোৱাই ৰণ নকৰি এনেয়ে থাকিল। ডিন্‌কাও বা শাওণ মাহত, এওঁলোক দুজনা ডেকাফুকনৰ কোঁঠলৈ উভতি আহি তেওঁৰ লগ ললেহি। ডেকাফুকনে তেওঁলোক উভতি অহা দেখি বিকৰ্থনা কৰিলে। এনেতে কাপ্তান গোহাঁয়ে মাত লগালে, বোলে,— "ফুকনে আমাক নিজে কটকী পঠিয়াই মাতি অনাইছে। এভিয়া

দোষ দিলে কি হব? ফুকনে মতা দেখি আমি শত্ৰুৰ গাৰঁত নোসোমাই উভতি আহিছোঁ।" ৩২৪॥

বেৰেজীয়াত কছাৰী বসতি।—আতপাচে নমটীয়া মটক ৰৰথলৰ পৰা ওলাই আহি ডেমেৰাগাৰঁত বলহি। তাতে সিহঁতে কছাৰীৰ লগত কাজিয়া কৰি কলে, বোলে, "হেৰ, কছাৰীহঁত, তহঁতে আমাৰে একেলগ হৈ ৰণ নকৰ কিয়?" তাতে কছাৰী আৰু মটক দুয়োৰে মাজত বোলমাত হল। মটকে ধৰজাই লস্কৰ আৰু আন দুটা কছাৰীৰ মানুহক মাৰিলে। কছাৰীয়ে গাওঁ এৰি ভাগি পলাই গল। জাতিকা কছাৰি ১, নটুৱা লস্কৰ ১, এই দুয়ে পলাই আহি আমাৰ কোঁঠত সোমালহি। পলাই অহা কছাৰীবোৰক কলঙ্গৰ কাষৰত ৰিবহ-বেৰেজীয়াত পাতিবলৈ ডেকাফুকনে আজ্ঞা কৰিলে। ৩২৫॥

ৰাজ্যত দুবছৰীয়া শান্তি।—লাক্নি কাতকেও বা ১৭২৬ শকত, ডিন্‌কক বা বহাগ মাহত, ডেকাফুকনে দেওধাই পণ্ডিতক কুকুৰা-ঠেঙ্গেৰে মঙ্গল চাই আমাৰ সৈন্য ৰণত জিকিব নে ঘাটিব তাকে কবলৈ কলে। দেওধাই পণ্ডিতে কুকুৰাঠেঙ্গেৰে মঙ্গল চাই আমাৰ ভাল হব বুলি গণিতা কৰিলে। আতপাচে ডেকাফুকনে কাপ্তান গোহাঁই আৰু বচা ৰাজখোৱাক কাঁড়ী, হজুৰা, চিপাহী লগত লৈ ৰণলৈ যাবলৈ কলে। ইবোৰেও ৰণ কৰিবৰ মনেৰে গৈ কপিলীৰ পাৰত বাহৰ কৰি থাকিল। তাৰেপৰা কলং নৈৰ মুখত বলহি। তাতে এটা কোঁঠ দি ভালেমান দিন থাকিল। কিছুদিনৰ পাচত মটক আৰু কছাৰীৰ সৈতে ৰণ লাগিল। সেই ৰণত মটক আৰু কছাৰীৰ অনেক মানুহ পৰিল। আতপাচে ডেকাফুকন, বচা ৰাজখোৱা, কাপ্তান গোহাঁই, কণ ৰৰৰুৱা কাঁড়ী, হজুৰা লগত লৈ যোৰহাটলৈ উভতি আহি তাতে থাকিল। লাক্নি খুত্‌ত্যেও আৰু কংপ্ৰাও বা ১৭২৭—১৭২৯, এই দুই শকত ৰাজ্যত শান্তি আছিল। ৩২৬॥

নগাৰ বিদ্ৰোহ দমন।—লাক্নি তাওঙ্গি বা ১৭২৯ শকত, ৰৰহাটৰ নগাই আমাৰ দেশত সোমাই উপদ্ৰৱ কৰিবলৈ ধৰিলে। সিহঁতে

আমাৰ গাওঁ সোমাই লুটি ধন-বস্তু নিলে। এইকথা স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁয়ে শুনি সৰু-অভয়পুৰীয়া গগৈ ৰাজখোৱাক সেই নগা ধৰিলৈ পাঠিলে। ভাল দিন-বাৰ চাই সৰু-অভয়পুৰীয়া ৰাজখোৱাই কাঁড়ী, হজুৰা, চিপাহী লগত লৈ নগা পৰ্ব্বতৰ ফালে যাত্ৰা হৈ কঠালবাৰী পাই তাতে কোঁঠ দি বল। নগাই পৰ্ব্বতৰপৰা ওলাই আমাৰ সৈন্যৰ গাত পৰিল। আমাৰ সৈন্যই নগাৰ লগত ৰণ কৰিবলৈ ধৰিলে। নগাই বলে নোৱাৰি পাচহুঁহকি আহিল। আমাৰ মানুহে পৰ্ব্বতত উঠি নগাৰ গাওঁ-ভুই ভঁৰাল জুই লগাই পুৰিলে। নগাই বৰ নোৱাৰি লৰা-তিৰোতা কেঁচুৱা লৈ কাঠনি হাবিত সোমালগৈ। গগৈ ৰাজখোৱাই নগা এটা ধৰি তাৰ মূৰ কাটিলে। মূৰটো ভাঙৰ গছ এজোপাত পিন্ধত দিলে। সৰু-অভয়পুৰীয়া ৰাজখোৱাই হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া কাঁড়ী লগত লৈ ৰবহাটলৈ উভতি আহি তাতে বলহি। আতপাচে নগাৰ তিনিটা চৌতাং ৰবহাটলৈ আহি ওলমাল দি আমাৰ স্বৰ্গদেৱক ধৰিলেহি। ৩২৭॥

চাবিং-ৰজাৰ মৃত্যু।—লাক্নি কামাত বা ১৭৩০—৩১ শকত, স্বৰ্গদেৱৰ পিতৃ চাবিংৰজাৰ মৃত্যু হল। তেওঁৰ শৰটো দাহ কৰি অস্থি-ছাই চৰাইদেৱলৈ নি মৈদামত থলে। দহদিনৰ মূৰত যোৰহাটত দহা, আৰু মাহেকৰ মূৰত সেই ঠাইতে কৰ্ম্ম কৰিলে। স্বৰ্গদেৱে বিষয়াসকলক সাজ খুৱাই ব্ৰাহ্মণ আৰু গণকক সোণ-ৰূপ দক্ষিণা দিলে। আতপাচে ফিৰিঙ্গি নামে এক দেওধাই পণ্ডিতে স্বৰ্গী কোঁৱৰৰ প্ৰেতাত্মাক পুথাওসকলৰ সঙ্গলৈ নিবলৈ এপেৰা সোণ আৰু এপেৰা ৰূপ দান কৰি দাম পূজা পাতিলে। ৩২৮॥

তিকৰলীয়া নগা দমন।—লাক্নি কাপ্‌চি বা ১৭৩১-৩২ শকত, তিকৰলীয়া দুৱাৰৰ নগাই আহি আমাৰ বাজ্য মাৰিলে। সিহঁতে আমাৰ চহৰীয়া মানুহ কাটি-মাৰি বস্ত্ৰ-বস্তু লুৰি নিলে। স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙৰীয়াই এইকথা শুনি জাতি ৰবফলীয়া বৰাক চিপাহী আৰু কাঁড়ী কেতখিনি দি নগা মাৰিবলৈ পঠিয়ালে। ইবোৰে

গৈ দৈপাতং পৰ্ব্বত পাই তাতে কোঁঠ দি ৰহিল। এনেতে তিকৰলীয়া নগাই আমাৰ সৈন্যৰ ওপৰত পৰিল, কিন্তু ৰণত জিনিব নোৱাৰি সিহঁত পলাই আমাৰ গাওঁত সোমাই চহৰীয়া মানুহ কাটি সিহঁতৰ মূৰ পৰ্ব্বতলৈ নিলে। এইৰূপে ভালেমানদিন নগাই আমাৰ মানুহ কাটিবলৈ ধৰিলে। আমাৰ সেনাই সিহঁতক ধৰিব নোৱাৰিলে। আতপাচে সৰু-অভয়পুৰীয়া গগৈ ৰাজখোৱা চিপাহী কাঁড়ী আৰু হজুৰা কিছু লৈ নগা মাৰিবলৈ গল। পৰ্ব্বতত সোমাই ৰহিতা-জয়হিতাত কোঁঠ দি সসৈন্যে সহিতে তাতে থাকিল। নগাই ছিমা নগাবোৰৰ লগ ললে। ছিমা নগাৰ ৰজাই পৰ্ব্বতৰ ওপৰৰপৰা আমাৰ সৈন্য ভুমুকি মাৰি চালে। আমাৰ চিপাহীয়ে ৰজাক দেখিলে। এটা চিপাহীয়ে ৰজাৰ কালে হিলৈ টোঁৱাই তাৰ গালৈ গুলী দিলে। ছিমা ৰজা সেই ঠাইতে গুলী লাগি মৰিল। নগাও মহাক্ৰোদ্ধ হৈ কাষৰৰ গাওঁবোৰত সোমাই আমাৰ চহৰীয়া মানুহ কাটি ছিমা ৰজালৈ বলি উচৰ্গা কৰিলে। আতপাচে সৰু-অভয়পুৰীয়া গগৈ ৰাজখোৱা কাঁড়ী, হজুৰা চিপাহী লগত লৈ নগাক মাৰিবলৈ গল। তিকৰলীয়া নগাবোৰে আমাৰ সৈন্যৰ ওপৰত পৰি ৰণে জিনিব নোৱাৰি পলাই সাৰিল। আমাৰ চিপাহীয়ে পাচে-পাচে টানকৈ খেদা দি পৰ্ব্বতত উঠি নগাৰ ভঁৰালত জুই দিলে। আকে দেখি নগাও গাওঁ এৰি পলাল। আতপাচে অভয়পুৰীয়া গগৈ ৰাজখোৱা চিপাহী, কাঁড়ী হজুৰা সমৰিতে পূৰ্ব্বৰ ঠাইলৈ উভতি আহিল। ৩২৯॥

কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ মৃত্যু।—লাক্লি ডাপচেও বা ১৭৩২-৩৩ শকত, আমাৰ গাওঁ চহৰবোৰত বসন্ত ওলাই অনেক মানুহ সেই ৰোগতে হানি হল। সেইবেলা এখৰৰ মানুহ সিখৰলৈ নগৈছিল। চুক্লিংফা বা কমলেশ্বৰসিংহ স্বৰ্গদেৱ এই বসন্ত পীড়াত ভুগিলে। এই ৰোগতে স্বৰ্গদেৱৰ মৃত্যু হল। ৰাজ্যভোগ কৰিলে পোদ্ধৰ বছৰ। ৩৩০॥

স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ।—সেই লাক্লি ডাপচেও বা ১৭৩২-৩৩ শকত মাঘৰ ছয়দিন যোৱাত, কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ ভায়েক ৰজা হল

আহোম মতে এওঁৰ নাম হল চুডিংফা, আৰু হিন্দুমতে চন্দ্ৰকান্তসিংহ। স্বৰ্গী ৰজাৰ দেহা চৰাইদেৱলৈ নি মৈদাম বান্ধিলে। আহোম মতে শ্ৰাদ্ধ কৰ্ম্ম কৰিলে। ম'হ গাহৰি মাৰি দেওধাই, মোহন আৰু বাইলুং পণ্ডিতক সাজ খুৱালে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ব্ৰাহ্মণ আৰু গণকক সোণ-ৰূপ দক্ষিণা দিয়ালে। স্বৰ্গদেৱে তিনিজনা ডাঙ্গৰীয়া, বৰবৰুৱা, ফুকন, বৰুৱা আৰু অন্যবোৰক ডাঙ্গৰৰূপে ভোজ কৰাই বঁটা-প্ৰসাদ দিলে। সেইৰূপে দেওধাই, মোহন আৰু বাইলুং পণ্ডিতকো দিলে। স্বৰ্গী ৰজাৰ প্ৰেতাত্মা পুলিনপুথাও সকলৰ সঙ্গলৈ নিবলৈ খাৰঘৰীয়া দেওধাই বৰুৱা আৰু লেকাই বৰুৱা, এই দুয়ে সোণ-ৰূপ উচৰ্গা কৰি দাম পূজা কৰিলে। স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াই শেন-চোৱাত মাছ-কাছ ধৰি ৰং-আনন্দ কৰিলে। আতপাচে নাও আৰু ভুৰত উঠি হাবি সোমাই দা-যাঠিৰে হৰিণা পছু মাৰি ৰং-তামচা কৰি ভালেমানদিন কটালে। ৩৩১॥

হাতীগড়ত পুখুৰী।—লাক্লি মুংমুত বা ১৭৩৪-৩৫ শকত, বুঢ়া-গোহাঁই ডাঙ্গৰীয়াই হাতীগড়ত পুখুৰী খনাই দ'ল বান্ধিলে। পুখুৰীৰ মধ্যত নাগ বহুৱাই পুখুৰী উচৰ্গা কৰিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ব্ৰাহ্মণ গণকক সোণ-ৰূপ দক্ষিণা দিয়ালে। স্ত্ৰীসকলক ৰূপ দিয়ালে। ৩৩২॥

নড়াৰ কটকী।— লাক্লি প্লেকচান বা ১৭৩৫-৩৬ শকত মুংক্ৰাং হিংজিপমুং আৰু হিংকক নামে নড়াৰ কটকী, আৰু ফাকি ফুকন আৰু ছুটা চিংকৌৰ গাম আমাৰ দেশলৈ আহিল। কটকীৰ দুখন পত্ৰ যোৰহাট পালেহি। স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াই নাৰায়ণ চৌহিং ফুকনক মাতি পঠিয়ালে। কেকঙ্গক পঠিয়াই ৰংপুৰ বাহৰত নড়াৰ কটকীক থৈ বোজ-বাজ দিবলৈ কলে। সেইৰূপে আচৰা হল। নড়াৰ কটকীয়ে নিবেদন জনালে, বোলে,—"মানতৰাই আমাৰ দেশ-ৰাজ্য মাৰি নষ্ট কৰিলে। আকে শুনি আমি অসমলৈ ভাই-ৰজাৰ ওচৰলৈ আহিছোঁ। আমাৰ ৰজা পলাই খেহ দেশত

সোমাল। আমাৰ পাত্ৰ-মন্ত্ৰী সকলোৱে সমালোচন কৰি আমাৰ ভাই-ৰজা স্বৰ্গদেৱ আৰু প্ৰবল প্ৰতাপী বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰপৰা অসমীয়া চিপাহী সৈন্যৰ সহায় মাগিবলৈ আমাক পঠিয়াইছে। কিছু সৈন্য পঠিয়ালে আমাৰ দেশ-ৰাজ্য ৰক্ষা পৰে।” আকে শুনি বুঢ়া-গোহাঁয়ে বুলিলে,—“ভাল, কিছুদিনৰ পাচত সৈন্য পঠোৱা হব।” এই বুলি বুঢ়াগোহাঁই ডাঙ্গৰীয়াই কটকীক সোণ-ৰূপ বস্ত্ৰ বঁটা-প্ৰসাদ দিলে। কটকীহঁতে পৰম আনন্দ পালে। আতপাচে এফৌজ ভাল সৈন্য নড়ালৈ পঠিয়ালে। ৩৩৩॥

সতৰাম চাৰিঙ্গীয়া ফুকন।—চ্যাওকা-চুডিন স্বৰ্গদেৱে কুকুৰাচোৱা বৰা ভূতৰ পুতেক পৰম বেথাৰ পাত্ৰ সতৰামক চাৰিঙ্গীয়া ফুকন পাতিলে। স্বৰ্গদেৱ আৰু সতৰাম একেলগে বহে। বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ-গোহাঁই ডাঙ্গৰীয়াই স্বৰ্গদেৱৰ লগত সতৰামক ভালেমানদিন একেলগে বহা দেখি স্বৰ্গদেৱত অসন্তোষ কৰি বোলে,—“স্বৰ্গদেৱ ঈশ্বৰৰ আগত আমি মুৰ দোঁৱাব পাৰোঁ। কিন্তু সেই বুলি কুকুৰাচোৱা এটাৰ আগত নোৱাৰোঁ। যদিও স্বৰ্গদেৱে সতৰাম চাৰিঙ্গীয়া ফুকনক অনুগ্ৰহ কৰিছে, তথাপি দুয়ো সুকীয়া আসনত বহাটোহে আমি উত্তম হেনো দেখোঁ।” কিন্তু স্বৰ্গদেৱে ডাঙ্গৰীয়াবোৰৰ কথালৈ কাণ নিদিলে। ইয়াতে তিনিও ডাঙ্গৰীয়াই স্বৰ্গদেৱৰ চ'ৰালৈ নাযাওঁ বুলি একেযোৱ হল। ৩৩৪॥

স্বৰ্গদেৱৰ পৰ্ব্বতীয়া কুঁৱৰী।—সাক্টি কাতবাও বা ১৭৩৬—৩৭ শকত, বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ পুতেক ঢেকিয়াল ফুকনে বৰফুকনৰ জীয়েকক বিয়া কৰিলে। সেই বছৰতে স্বৰ্গদেৱে দিহিঙ্গীয়া মহন্তৰ ভকত এজনৰ ছোৱালী এজনী আনি বৰকুঁৱৰী পাতিলে। পাচলৈ তেওঁকে পৰ্ব্বতীয়া কুঁৱৰী মাতিলে। এই বিবাহত বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মত নাছিল। ৩৩৫।

সতৰামৰ ষড়যন্ত্ৰ।—আতপাচে কুকুৰাচোৱা বৰা ভূতৰ পুতেক সতৰাম চাৰিঙ্গীয়া ফুকন ১, বুঢ়ৰ পুতেক মথন ১, লেবাঙ্গ হাতীমুৰীয়া

১, তাৰে পুতেক ১, দোলাকাষৰীয়া খেলৰ বাঞ্চি ১, লথীহবি ১, ইবোৰে গোটখাই বুঢ়াগোহাঁই ডাঙ্গৰীয়াক ধৰিবলৈ মন্ত্ৰণা কৰিলে। এইকথা বুঢ়াগোহাঁইৰ কাণত পৰাত ডাঙ্গৰীয়াৰ মহাক্ৰোধ হল। ডাঙ্গৰীয়াৰ বিৰুদ্ধে দ্ৰোহ আচৰাইঁতক ডাঙ্গৰীয়াই ধৰি মাৰিবলৈ আজ্ঞা কৰিলে। সেইৰূপে কেতখিনি দ্ৰোহীক ধৰি আনি কাটিলে, কেতখিনিক চিপজৰী লগাই মাৰিলে, আনবোৰক শূলত দিলে। ৰাজমাও দেৱতাই সতৰামক ডাঙ্গৰীয়াসকলৰ হাতত গতাই দিবলৈ স্বৰ্গদেৱক খাটিলে। স্বৰ্গদেৱে সতৰামক নামাবিবলৈ ডাঙ্গৰ শপথ দি ডাঙ্গৰীয়াবোৰৰ হাতত গতাই দিলে। কুকুৰাচোৱা বৰা ভূতৰ পুতেক সতৰামক প্ৰাণে নামাৰি নড়ামূৰাকৈ খেদি দিলে। কিছুদিনৰ মূৰত নগাক ধন দি সেই নগাৰ হতুৱাই সতৰামক মাৰি তাৰ ঘৰ লুড়ি বস্তু আনিলে। ৩৩৬॥

বদনচন্দ্ৰ বৰফুকনৰ গুৱাহাটী ত্যাগ।—লাক্নি খুত্‌মিত বা ১৭৩৭-৩৮ শকত, কেন্দুগুৰীয়া বৰপাত্ৰ-গোহাঁইৰ পুতেক পোৱালি গোহাঁইক বৰপাত্ৰ-গোহাঁই পাতিলে। আতপাচে বুঢ়াগোহাঁই ডাঙ্গৰীয়াই বৰফুকনৰে সৈতে দ্বন্দ্ব লাগি বৰফুকনক ধৰিবলৈ কিছু মানুহ পঠিয়ালে। এইকথা শিমলুগুৰীয়া বাহৰ বৰফুকনে জীয়েক অৰ্থাৎ বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ বোৱাৰীয়েকৰপৰা জানিব পাৰি বঙ্গাল দেশলৈ পলাই গল। আতপাচে বুঢ়াগোহাঁয়ে দিহিঙ্গীয়া ন-ফুকনক বৰফুকন পাতি গুৱাহাটীলৈ পঠিয়ালে। দিহিঙ্গীয়া ৰাজখোৱাই বদন চন্দ্ৰ বৰফুকনৰ পাচে পাচে টানকৈ খেদা দিলে। এনেতে বৰফুকনে মানাহা নৈত পৰি দিহিঙ্গীয়া ৰাজখোৱাৰ গালৈ গুলী দি ৰাজখোৱাক মাৰিলে। ৰাজখোৱাৰ শৰটো লগত যোৱা আহোমে কাষ্ঠ-সংস্কাৰ কৰিলে। এই বাতৰি পাই দিহিঙ্গীয়া ৰাজখোৱাৰ বংশৰ মানুহে স্বৰ্গী হোৱা জনা ৰাজখোৱাৰ অস্থি-ছাই আনি গাতত পুতি তাৰ ওপৰত মৈদাম বান্ধিলে। ৩৩৭॥

গৱৰ্ণৰ-জেনেৰেলৰ সন্নিধান।—আতপাচে বৰফুকনে গৈ বঙ্গলাদেশ

পালে। নিজৰ দুখ-কষ্টৰ কথা গৱৰ্ণৰ-জেনেৰেল চাহাব বাহাদুৰক সকলো কৈ-মেলি চাহাবৰ পৰা সহায় খুজিলে। গৱৰ্ণৰ-জেনেৰেল চাহাবে কলে,—"অসমৰ ৰজাৰে সৈতে আমাৰ প্ৰীতি-সম্বন্ধ আছে। আমি আপোনাক সহায় কৰিব নোৱাৰোঁ। আপুনি বৰ্ম্মাদেশলৈ গৈ মানৰজাৰ সহায় ভিক্ষা কৰিব পাৰে।" ৩৩৮॥

মানৰজাৰ চৰাত বদনচন্দ্ৰ।—আতপাচে বৰফুকনে পুতেকটিহঁত আৰু উদয়চিঙৰে সৈতে মানৰ কটকীৰ লগত কিম্বা ইবাৰতী নৈয়েদি বৰ্ম্মাদেশলৈ গ'ল। মানদেশ পাই বৰফুকনে মানৰজাৰ লগত থাকিলগৈ। কিছুদিনৰ মূৰত মানৰজাই বৰফুকনক মাতি নি তালৈ যোৱাৰ কাৰণ সুধিলে। বৰফুকনে মানৰজাক সেৱা-সৎকাৰ কৰি কলে, বোলে,—"বুঢ়াগোহাঁয়ে আমাৰ স্বৰ্গদেৱক ভাঙ্গি ভালেমান বিষয়াক মাৰি-কাটি নষ্ট কৰিছে। ভালমতে ৰাজ্য শাসন নোহোৱাত ৰাজ্য ছাৰখাৰ হৈছে। মোক ধৰিবলৈ আজ্ঞা কৰি মানুহ পঠিয়াইছিল। অত্যন্ত ভয় পাই মই বঙ্গাল দেশত সোমালোঁ। বঙ্গাল দেশৰপৰা ধৰি নিবলৈ কটকী এটা পঠিয়াইছিল। সেই কটকীক মাৰি পলাই আহি মই এইখন ঠাই পাইছোঁহি। মানতৰা দেশৰ মহাৰজাৰ শৰণাগত হবলৈ মই এই দেশলৈ আহিছোঁ; মহাৰাজে কৃপা কৰি কিছু সৈন্য পঠিয়ালে আমাৰ স্বৰ্গদেৱ, পাত্ৰ-মন্ত্ৰী, বিষয়া, গাওঁ-ৰাজ্য, এই সকলোখিনি ৰক্ষা পৰিব, আৰু মহাৰজাৰ যশ-ধৰ্ম্ম-কীৰ্ত্তি দেশদেশান্তৰে বিয়পি পৰিব।" ৩৩৯॥

অসমত মান।—বৰ্ম্মাৰজাই সহায় দিম বুলি অঙ্গীকাৰ কৰিলে। মানৰ বুঢ়াৰজা এমাহমান নপৰীয়া পৰি আছিল। আতপাচে লাক্লি কংকেও বা ১৭৩৮-৩৯ শকত, মানৰজাৰ ভায়েকক সেই সৈন্যৰ সেনাপতি বা ৰজা পাতিলে। মানৰজাৰ হিলৈ ভৰালৰপৰা জোখাই অস্ত্ৰ-শস্ত্ৰ খাৰ-বাখৰ লবলৈ আজ্ঞা কৰিলে। কালী কটকী ১, মুংক্ৰাং ৰজা ১, ছুকুমী ৰজা ১, মেগেলা ৰজা ১, আৰু মানৰ ফুকন ৰকন্না এইবোৰে গোটখাই মেল কৰিলে। লগত একলাখ মান সৈন্য,

ন-হাজাৰ তবোৱাল, আৰু ভালেখিনি হিলৈ, যাঠি আৰু বাৰু লগত ললে। মান সৈন্য যাত্ৰা কৰি কেকুৰী-নামৰূক পাই নগৰত থানা কৰি ৰল। তাৰেপৰা মানৰজাই কটকী এটাৰ হাতত তিনিখন পত্ৰ আমাৰ দেশলৈ পঠিয়ালে, বোলে,—"আমাৰ ভাই-ৰজাৰ দেশত ৰজা নাই বুলি শুনিবলৈ পাই চাওফা চুহিতপুং ৰজাৰ গৰ্ভেচিং নামে পুতেক এটিক তোমালোকৰ দেশত ৰজা পাতিবলৈ আমি এখেলৈ আহিছোঁ। বৰফুকনো আমাৰ লগতে আছে। তোমালোকে কেটামান কটকী পঠাই সিহঁতক চিনাই দিবা, যদি সিহঁতে সঁচাকৈয়ে ৰজাৰ পুতেক আৰু বৰফুকন নহয় বোলে আমি সিহঁতক কাটিম।" কামিনী ফুকনক কটকী কৰি পঠালে। ফুকন আহি মেলেঙ্গত ৰলহি। মানে ৰণ কৰিবৰ মনেৰে আগবাঢ়ি ঘিলাধাৰী পাই তাতে কোঁঠ দি ৰল। সৰু অভয়পুৰীয়া ৰাজখোৱা পাতৰ গগৈয়ে মান সেনাক ধৰিলে, মানে পাতৰ গগৈক ৰণ দিলে। সেই ৰণত পাতৰ গগৈ বিভঙ্গ হল। ৩৪০॥

মানৰ বিৰুদ্ধে ৰণযাত্ৰা।—সেই বছৰতে বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মৃত্যু হল। একুৰি-এঘাৰ বছৰ ডাঙ্গৰীয়াই ৰাজ্য খালে। ডাঙ্গৰীয়াৰ ৰবটো পুতেক বুঢ়াগোহাঁই হল। স্বৰ্গদেৱৰ পাত্ৰ-মন্ত্ৰী আৰু অন্যান্য বিষয়াসকল বৰচ'ৰাত গোট খাই মেল কৰিলে, বোলে,—"মান আহি আমাৰ ৰাজ্য সোমালহি। মানৰে সৈতে আমি যুজিম নে নুযুজিম তাকে এতিয়া আলচিব লাগে।" তিনি ডাঙ্গৰীয়া, পাত্ৰ-মন্ত্ৰী, ৰাজখোৱা আৰু অন্য বিষয়া এইবোৰে মানৰ সৈতে ৰণ দিবলৈকে ঠাৰৰ কৰিলে। কুঁৱৈগঞা বুঢ়াগোহাঁই ১, নেওগফুকন ১, নামডঙ্গীয়া ৰাজখোৱা ১, চুঙ্গী হাজৰিকা ১, বকতিয়ালৰ ন ফুকন ১, কেচুকলীয়া বৰগোহাঁইপৰীয়া বৰগোহাঁই ডাঙ্গৰীয়া ১, সন্দিকৈৰ মাজু-অভয়পুৰীয়া বৰ-অভয়পুৰীয়া ৰাজখোৱা ২, লানমাথৰু ৰাজখোৱা ১, পানী অভয়-পুৰীয়া ৰাজখোৱা ১, পাতৰৰ সৰু অভয়পুৰীয়া ৰাজখোৱা ১, ভীম চাংকুং ফুকন ১, লাপী ঘৰফলীয়া দাধৰা বৰা ১, সন্দিকৈৰ বিলভীয়া

দাধৰা বৰা ১, ধেনুধৰীয়া কোঁৱৰৰ মনজয় হাজৰিকা ১, লুখুৰাখন ছুংৰুং হাজৰিকা ১, ফনিচিং চিপাদাৰ ১, দঁতালচিং ১, বাজুপুৰীয়া ১, গঙ্গাৰাম ১, মীনচিং ১, মিকিৰচিং ১, এয়েৰে সৈতে স্বৰ্গদেৱে সাত-কোম্পানী ৰণুৱা মানৰ সৈতে যুজিবলৈ পঠিয়ালে। আমাৰ হাজৰিকা, শইকীয়া, বৰা, ধনুধৰীয়া আৰু আনো শকত-আৱত চাই ভালেমান মানুহ মুঠ হৈ যাত্ৰা কৰি দিহিং নগৰত কোঁঠ দি ৰল। আতপাচে সেই মানুহখিনি গৈ কঠালবাৰীৰ কোষত শিলসাঁকো পাই তাতে ৰহিল। মানৰ বৰফুকনে সৈন্য গোটাই যাত্ৰা কৰি চাওহিং ফুকনৰ পুখুৰীৰ পাৰত ৰলহি। আমাৰ কিছু সেনা চৰাইদেৱলৈ গৈ তাতে থাকি তাৰ কোঁঠ-বুৰুজ আওঁতাবলৈ ধৰিলে। ৩৪১ ॥

মানৰ হাতত অসমৰ পৰাজয়।—এনেতে মানৰজাই বৰফুকনক কলে বোলে, "অসম ৰজাই আমাৰ লগত যুঁজিবলৈ নিবিচাৰে। মন থকা হলে এতেবেলি ৰণ দিলেহেঁতেন।" আতপাচে আমাৰ বৰুৱা, হাজৰিকা, শইকীয়া, বৰা আৰু সাতকোম্পানি ফিৰিঙ্গিয়ে কলে, বোলে,—"আমি নুযুঁজিবৰ ভাল নহয়। আমাক স্বৰ্গদেৱ-ঈশ্বৰে ৰণ কৰিবলৈ পঠিয়াইছে। সেইদেখি আমি ৰণ কৰিম।" ৰুংবাত পাতৰ গগৈ ৰাজখোৱা কোঁঠৰ পৰা ওলাই আমাৰ সেনাক যুঁজিবলৈ সাজু কৰালে। আমাৰ সেনাই গৈ মানসেনাক ধৰিলে। মানৰ বৰফুকন সেই ৰণত পৰিল। মানৰজা মহাক্ৰোদ্ধ হৈ বাইজুঙ্গলৈ গল। আতপাচে মানসেনাই আমাৰ সেনাক বেঢ়ি ধৰি হিলৈ বৰটোপ মাৰিবলৈ এৰি হতাহতি ৰণ কৰিলে। আমাৰ সেনায়েও ৰণ কৰিবলৈ মন কৰিছিল, কিন্তু মানৰ সেনাতকৈ আমাৰ মানুহ তাকৰ হোৱাত ৰণ নকৰি পাচহুঁহুঁকি কোঁঠত সোমাল। লানমাখৰুৰ ভেদেলা ৰাজখোৱাই সৈন্য কিছু গোটাই মানৰে সৈতে ৰণ কৰিবলৈ আজ্ঞা কৰিলে। পিচদিনা প্ৰভাতত মানে আহি আমাৰ কোঁঠ আগুৰি ধৰিলে। আমাৰ মানুহে খৰি-পানী আনিবলৈ কোনো-প্ৰকাৰে কোঁঠৰ বাহিৰলৈ ওলাব নোৱাৰা হল। কেচুকলীয়া বৰগোহাঁই

ডাঙ্গৰীয়া অতি পুৰাতে পলাই গুচি গল। আতপাচে মানৰজা আৰু বৰফুকন এই দুয়ে উদয়চিঙ্গ কটকী পঠিয়াই আমাৰ স্বৰ্গদেৱক কবলৈ দিলে, বোলে,—"আমাৰ মানৰজাই স্বৰ্গদেৱৰ লগত ৰণ কৰিবলৈ মন নকৰে।" উদয়চিঙ্গে আহি মানৰজাৰ এইকথা স্বৰ্গদেৱক জনালেহি। ৩৪২ ॥

গুৱাহাটীলৈ যোৱা প্ৰস্তাৱ।—কুঁৰৈগঞা বুঢ়াগোহাঁইৰ পুত্ৰ ৰুচিনাথ বুঢ়াগোহাঁই হল। এনেতে মান আহি আমাৰ দেশত সোমাই গাওঁ-ভূঁই নষ্ট কৰিবলৈ ধৰিলে। আমাৰ সৈন্যই মানক ৰণত পৰাস্ত কৰিব নোৱাৰিলে। আমাৰ ৰাজ্যৰ প্ৰজা দিহিঙ্গে-দিপাঙ্গে পলাবলৈ ধৰিলে। পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়া দেশৰ ৰাজহাড় আৰু সৰ্ব্বভৰসা আছিল, তেৱোঁ মৰিল। আমাৰ মানুহক ৰক্ষা কৰোঁতা কোনো নাইকিয়া হল। ইয়াকে দেখি ৰুচিনাথ বুঢ়াগোহাঁয়ে গুৱাহাটীলৈ ভটিয়াই যোৱাটো ভাল বুলি স্বৰ্গদেৱৰ আগত প্ৰস্তাৱ কৰিলে। এই কথাত স্বৰ্গদেৱ মান্তি নহল। ৩৪৩ ॥

বদনচন্দ্ৰৰ হত্যা।—ইয়াকে শুনি ৰুচিনাথ বুঢ়াগোহাঁই ডাঙ্গৰীয়াই ৰজাত সন্দেহ কৰি ভয় খাই আহিলা-পাতি পুত্ৰ-নাতি বন্দী-বেটী লগুৱা-লিকচৌ লগত লৈ নাৱেৰে ভটিয়াই গুৱাহাটীলৈ গল। আতপাচে বদনচন্দ্ৰ বৰফুকনে নগৰ সোমাই স্বৰ্গদেৱক আঠুকাঢ়ি সেৱা কৰিলে। স্বৰ্গদেৱে বৰফুকনৰ লগত কথাবাৰ্ত্তা হল, আৰু বৰফুকনৰ পৰা এইদৰে মান-সম্মান পাই স্বৰ্গদেৱ হৰ্ষযুক্ত হল। বৰফুকনৰ সৈন্যই বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ টোলত সোমাই ঘৰত থকা সকলো দ্ৰব্য-বস্তু লুটি মানৰ সেনাপতিক দিলে। চ্যাও-চুডিংফা স্বৰ্গদেৱে বৰফুকনক মন্ত্ৰীফুকন বাব দিলে। আতপাচে বৰফুকনে বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ ঘৰতে বসতি কৰিবলৈ ধৰিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ ভায়েকহঁতক শাস্তি কৰিলে। পৰ্ব্বতীয়া ফুকনৰ চকু কাঢ়িলে। মানবোৰ নিজৰ দেশলৈ উভতি গল। চুডিংফা স্বৰ্গদেৱে তুংখুঙ্গীয়া ফৈদৰ বৰা গোহাঁইৰ জীয়েকক নিজৰ কন্যা বুলি মানৰজালৈ ভেটি দিলে। আতপাচে

ধনী বৰবৰুৱাই বৰফুকনৰ লগত কাজিয়া কৰি বৰফুকনক মাৰিবলৈ ৰূপচিং চুবাদাৰ নামে বঙ্গাল এটাক কৈটাই দিলে । সেইমতে ডিনকাও বা শাওণ মাহত, ৰূপচিং চুবাদাৰে বৰফুকনক মাৰিলে । ৩৪৪ ॥

পুৰন্দৰসিংহ স্বৰ্গদেৱ।—ৰুচিনাথ বুঢ়াগোহাঁই ডাঙৰীয়া তেতিয়া গুৱাহাটীত আছিল । বুঢ়াগোহাঁইৰ ভায়েক ঢেকিয়াল ফুকনে বৰ-মূৰীয়া গোহাঁইদেৱৰ পুতেক ব্ৰজনাথ গোহাঁইদেৱক মাতি আনি তেওঁকে ৰজা পাতিবলৈ আলচ কৰিলে । বুঢ়াগোহাঁই ডাঙৰীয়া ডেকাফুকন, ঢেকিয়াল ফুকন, বৰবৰুৱা, হাজৰিকা, শইকীয়া, বৰা আৰু আনবোৰো সেই মন্ত্ৰণা মেলত আছিল । লাক্লি ত্যাওত্যাও বা ১৭৩৯-৪০ শকত, তিনি ডাঙৰীয়া, বৰফুকন, বৰবৰুৱা আৰু অন্যান্য ফুকন বৰুৱাসকলে ব্ৰজনাথ গোহাঁইদেৱৰ শৰীৰত ক্ষত থকাত তেওঁৰ পুতেক পুৰন্দৰসিংহক ৰজা বুলি সেৱা কৰিলে । আতপাচে তেওঁলোকে নাৱেৰে গৈ যোৰহাট পালেগৈ । ৰুচিনাথ বুঢ়াগোহাঁই ডাঙৰীয়া আৰু ভায়েক ঢেকিয়াল ফুকনে চ্যাওচুডিংফাৰ কৰ্ণ ক্ষত কৰি তেওঁক ৰজা ভাঙিলে । পুৰন্দৰসিংহ সিংহাসনত উঠি ৰজা নাম ললে । ইয়াৰ পাচত কোনো বিশেষ ঘটনা নোহোৱাকৈ কিছুদিন গল । ৩৪৫ ॥

অসমত মান, দ্বিতীয় বাৰ।—আতপৰে চন্দ্ৰকান্তসিংহক ৰজা ভঙা কথা মানৰজাৰ কাণত পৰিল । ইয়াকে শুনি মানৰজাই সাত-শ সৈন্য লগত দি আলুংমিঙ্গি বৰগোহাঁইক অসমলৈ পঠিয়ালে । আলুং-মিঙ্গি বৰগোহাঁই আহি জয়পুৰত ৰহিলহি । আতপাচে আলুংমিঙ্গি বৰগোহাঁয়ে চন্দ্ৰকান্তসিংহক পুনৰ সিংহাসনত বহুৱালে । যিসকল বৰুৱা, বৰা, হাজৰিকা, শইকীয়াই চাওফা-চুডিন্ স্বৰ্গদেৱৰ বিৰুদ্ধে দ্ৰোহ আচৰিছিল, সেই সকলোকে মানৰ বৰগোহাঁয়ে বধ কৰিলে । ৩৪৬ ॥

চন্দ্ৰকান্তৰ বঙ্গাল দেশলৈ পলায়ন।—আতপৰে স্বৰ্গদেৱে পতাল নামে কছাৰী এটাক বৰবৰুৱা পাতিলে । কছাৰী বৰবৰুৱাই জয়পুৰত

ভাগ চাই এটা কোঁঠ সজালে। পাচে একৌজ নতুন মানসেনা আমাৰ দেশলৈ আহিল। সিহঁতে আহি পতাল ববৰবৰুৱাক মাৰিলে। স্বৰ্গদেৱে ভাবিলে, বোলে, এইবাৰ মান অমিলভাবে আহিছে, মিল-ভাবেৰে অহা নাই। স্বৰ্গদেৱে বুঢ়াগোহাঁই, বৰগোহাঁই, বৰবৰুৱা আৰু বৰফুকনক মানৰে সৈতে ৰণ কৰিবলৈ পঠিয়ালে। চ্যাওকা-চুডিংফা স্বৰ্গদেৱ ভটিয়াই গৈ গুৱাহাটী পাই তাতে থাকিল। মানৰ বৰগোহাঁই মিঙ্গিমাহা বান্দুলাই দেশত ৰজা নাইকিয়া দেখি তুংখুঙ্গীয়া বগাকোঁৱৰৰ পুতেক যোগেশ্বৰ গোহাঁইদেওক ৰজা পাতিলে। মিঙ্গি-মাহা বান্দুলাই চ্যাওফা-চুডিন ৰজাক ধৰিবলৈ মনস্থ কৰিলে। চন্দ্ৰকান্তসিংহই চাৰিঙ্গীয়া ৰজা, বৰবৰুৱা, ৰাজখোৱা, হাজৰিকা, শইকীয়া, বৰা, এক চুবাদাৰ আৰু এক কোম্পানী চিপাহী লগত লৈ নাৱেৰে উজাই মানৰ লগত যুঁজিবলৈ গল। ঘিলাধাৰী পাই তাতে ৰহিল। এনেতে মাইলুং দেশৰপৰা নতুন এক মানফৌজ আহি পূৰ্ব্বৰ মানসেনাৰ লগত ভৰ দিলেহি। মানৰ বৰগোহাঁই মিঙ্গিমাহা বান্দুলাৰ লগত মহগড়ত আমাৰ সৈন্যৰ ধুমাজ্জ্ৰ ৰণ লাগিল। সেই ৰণত জিনিব নোৱাৰি চ্যাওফা-চুডিন্ স্বৰ্গদেৱ পলাই সাৰি বিদেশলৈ গৈ তাতে থাকিল। ৩৪৭ ॥

মানৰ অত্যাচাৰ।—মানে আমাৰ গাওঁ-ভুঁই চহৰ লুড়িবলৈ ধৰিলে। আমাৰ প্ৰায় মানুহ ঘৰবাৰী এৰি ভাগি গৈ কাঠনি হাবিত সোমাল। চিংফৌবোৰেও মানৰে সৈতে লগ লাগি ৰাতি-দিনে আমাৰ গাওঁ-ভুঁই পুৰিবলৈ ধৰিলে। মানে আমাৰ কোনো তিৰোতাক পালে চাৰিটা-পাঁচোটা মানুহে এটাৰ পাচত এটাকৈ তাইৰ ওপৰত দৌৰাত্ম্য কৰিছিল। এনেকি বয়সিয়াল তিৰোতা মানুহৰ ওপৰত দহ-বাৰটাই ক্ৰমান্বয়ে বল কৰিবলৈ নেৰিছিল। বুঢ়ী তিৰোতা আৰু সক ছোৱালীৰো ভেদাভেদ নোহোৱাকৈ মানে বলেৰে খোৱালোৱা কৰিছিল। মানে আমাৰ মানুহক বন্দী কৰি সিহঁতৰ ধন-সম্পত্তি লুড়িলে। মানবোৰ নগৰতে থাকিল। ৩৪৮ ॥

ইংৰাজৰ অলম অধিকাৰ।—এইদৰে জয়লাভ কৰি মানহঁতৰ ক্ৰমান্বয়ে সাহ বাঢ়ি যোৱাত সিহঁতে ওচৰ-পাজৰত থকা কোম্পানীৰ ৰাজ্য আক্ৰমণ কৰিবলৈ ধৰিলে। এইকথা গৱৰ্ণৰ-জেনেৰেল চাহাৰ বাহাদুৰে শুনি মহাক্ৰোদ্ধ হৈ বৰ্ম্মাৰে সৈতে যুদ্ধ কৰিবলৈ আজ্ঞা কৰিলে। স্কট চাহাবে সৈন্য সহিতে আহি মহগড় পাই তাতে থানা কৰি ৰল। পিচদিনা পুৰা তেওঁ যাত্ৰা কৰি যোৰহাট পাই তাতে থাকিল। কৰ্ণেল ৰিচাৰ্ড চাহাব ইতিমধ্যে নগাওঁ পালেহি। মানে পিচহুহঁকি আহি যোৰহাত পাই তাতে সিহঁতৰ কোঁঠত ৰলহি। এনেতে ইংৰাজ পল্টন যোৰহাট পালেহি। মানে যোৰহাটৰ গড়-ভিতৰীয়া ঘৰ-বাৰী জুই লগাই পুৰি পলাই ৰংপুৰলৈ গল।

কৰ্ণেল বিচাৰ্ড চাহাব উজাই গৈ গৌৰীসাগৰ পাই তাতে ভাৰ্ম্মিৰা সাজি ৰল। মান সৈন্যই কৰ্ণেল বিচাৰ্ডৰ সৈন্যক আক্ৰমণ কৰিলে, কিন্তু ইংৰাজ পল্টনে মানৰ সৈন্যক পচলা কচাদি কাটিলে। আতপাচে স্কট চাহাবে তেওঁৰ সৈন্যক ৰংপুৰলৈ গৈ মানৰ লগত ৰণ কৰিবলৈ পঠিয়ালে। ইংৰাজ সৈন্য ৰংপুৰ পোৱাত মানৰে সৈতে তুমুল ৰণ হল। সেই ৰণত বৰ্ম্মা সৈন্য কোনোপধ্যে তিষ্টিব নোৱাৰি পলাই পূবপিনে ভাগি গল। আতপাচে সেনাপতি ফুকন আৰু ৰৰচাহাবে সন্ধি কৰিলে। তাৰেপৰা ইংৰাজে ভালেমান কাল এই ৰাজ্য শাসন কৰিলে। ৩৪৯ ॥

পুৰন্দৰসিংহ বৃটিছৰ কৰতলীয়া ৰজা।—লাক্নি মুংমাও বা ১৭৫৫ শকৰ বহাগ মাহত, ব্ৰজনাথ গোহাঁইদেৱৰ পুত্ৰেক পুৰন্দৰসিংহই ৰাজ্যৰ শাসন ভাৰ পাবৰ নিমিত্তে যতন কৰিলে। সেই কাৰণে মিষ্টাৰ হোৱাইট চাহাবে পুৰন্দৰসিংহক ৰজা পাতিলে। ৰজা হৈ সন্দিকৈৰ খিণাই ৰাজখোৱা আৰু লম্বোদৰ ফুকনৰ সৈতে সমালোচন হৈ ৰাজ্য প্ৰবেশ কৰি মহগড় পাই তাতে ৰলহি। তাৰ পাচত যোৰহাটলৈ আহি তাতে থাকিল। মহাৰজাই এটা কোঁঠ আৰু এটা কাৰেংঘৰ সাজিবলৈ মন কৰিলে। ৩৫০ ॥